জাতিৰ সেৱাত উৎসৰ্গিত ৬০ বছৰ

# দৈনিক অসম


গুৱাহাটী আৰু ডিব্ৰুগড়ৰপৰা প্ৰকাশিত

http://dainik.assamtribune.com

। ২৯১ সংখ্যা, ১৬ জেঠ, শনিবাৰ, ১৯৪৭ শক। DAINIK ASAM : Assamese Daily। VOL. 60 NO. 291। DIBRUGARH, SATURDAY, MAY 31, 2025 ।পৃষ্ঠা ১৬ (Pages 16)

## কানৈ মহাবিদ্যালয়ত গৱেষণা পত্ৰিকা উন্মোচন

### ছ'ফেক কেৱল এটা সংগঠন নহয়, ই এটা জীৱন পদ্ধতি ঃ অধ্যক্ষ



জিলাৰ বাতৰি দিওঁতা

ডিব্ৰুগড়, ৩০ মে' ঃ-ছ'ফেক এটা প্ৰকৃতিপ্ৰেমী সংগঠনেই নহয়, ই হৈছে কানৈ মহাবিদ্যালয়ৰ চিন্তাধাৰা, জীৱন পদ্ধতি আৰু ভৱিষ্যৎ প্ৰজন্মক সঞ্জীৱনী প্ৰদানৰ এটা উপহাৰ। কানৈ মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাসকলে গঠন কৰা প্ৰায় ২২ বছৰ অতিক্ৰম কৰা প্ৰকৃতিপ্ৰেমী সংগঠন ছ'ফেকৰ দুখনকৈ গ্ৰন্থ উন্মোচন কৰি কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ শশীকান্ত শইকীয়াই আজি এইদৰে কয়। মহাবিদ্যালয়খনৰ গৱেষণালব্ধ আলোচনী 'কৃষ্ণচূড়া' আৰু মুখপত্ৰ উন্মোচন কৰি তেওঁ কয়, 'কানৈ মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাই প্ৰকৃতি সংৰক্ষণ, জনসাধাৰণৰ মাজত পৰিৱেশ সুৰক্ষাৰ সচেতনতা আৰু প্ৰকৃতিক ভাল পোৱা চেতনা জাগ্ৰত কৰা আদি কাম কৰি পৃথিৱীৰ সুৰক্ষাৰ সৈতে মানুহক আন্দোলনমুখী কৰি আহিছে। ছ'ফেক মাত্ৰ দুখন আলোচনী, দুখনমান কাগজৰ অংশ হ'ব নোৱাৰে। প্ৰকৃততে ছ'ফেক এটা সামজিক আন্দোলন। ই সমাজৰ বাবে এনে এটা ইতিবাচক উদাহৰণ হোৱা উচিত, যি উদাহৰণৰ জৰিয়তে শিক্ষাৰ লগতে জীৱনৰ সংগতি, প্ৰকৃতিৰ সৌন্দৰ্য অনুভৱ কৰিব পৰা যায়। অধ্যক্ষগৰাকীয়ে লগতে কয়, ছ'ফেকে ন ন চিন্তাৰে কাম কৰি যাওক, প্ৰকৃতি সুৰক্ষাৰ আন্দোলন আৰু অধিক জাগ্ৰত আৰু ত্বৰান্বিত কৰক। সভাপতি ডঃ চন্দনা গোস্বামীৰ পৌৰোহিত্যত অনুষ্ঠিত গ্ৰন্থ উন্মোচনী সভাখনৰ আঁত ধৰে সম্পাদিকা ডঃ এনিশা দত্তই। উল্লেখ্য যে কৃষ্ণচূড়া নামৰ গৱেষণা পত্ৰিকাখন এইবাৰৰ পৰা আই এছ বি এন নম্বৰ সংযুক্ত কৰি প্ৰকাশ কৰা হৈছে। অনুষ্ঠানত যিসকলৰ গৱেষণা পত্ৰ প্ৰকাশ পাইছে, সেইসকলক অধ্যক্ষগৰাকীয়ে আৰ্থিক মাননি প্ৰদান কৰাৰ কথাও ঘোষণা কৰে। এই পত্ৰিকাখনৰ বিশেষ সংখ্যা প্ৰকাশ কৰিবলৈও তেওঁ অনুৰোধ জনায়। অধ্যক্ষগৰাকীয়ে মহাবিদ্যালয়খনৰ চৌহদত থকা পশু-পক্ষী, কীট-পতংগ, প্ৰাণী, গছ-গছনি, জলাশয় ইত্যাদি সামৰি এখন তথ্যচিত্ৰ নিৰ্মাণ কৰিবৰ বাবেও ছ'ফেকৰ কৰ্মকৰ্তাক আহ্বান জনায়। বছৰি মহাবিদ্যালয় চৌহদৰ পৰিৱেশক লৈ এটা গৱেষণা সমৃদ্ধ প্ৰতিবেদন প্ৰকাশ কৰাৰ বাবেও আহ্বান জনায় অধ্যক্ষগৰাকীয়ে। আজিৰ এই অনুষ্ঠানতে ছ'ফেকৰ পুৰণি সমতিখন ভংগ কৰি অধ্যাপিকা ডঃ ৰীতা পোদ্দাৰক সভানেত্ৰী, অধ্যাপিকা ডঃ শিখামণি কোচ দেউৰীক উপ-সভানেত্ৰী, অধ্যাপিকা ডঃ হেনৰিয়েটা হুদাক সম্পাদিকা, অধ্যাপিকা ডঃ লক্ষীমা দেউৰী, অধ্যাপিকা ডঃ হেমাকাঞ্চন ফুকনক সহকাৰী সম্পাদিকা হিচাপে লৈ দহজনীয়া কাৰ্যকৰী সদস্যৰে এখন নতুন সমিতি গঠন কৰা হয়।

---

...ৰনত আলোচনা সভা

...ত চি আই ...াতিষ্ঠা দিৱস

...নগৰত আজি চি আই টি ইউৰ ৫৫ ...টা-সাহিত্য সভা। ভৱনত পালন কৰা ...আলোচনা সভাখন সঞ্চালনা কৰে চি ...ৰ সভাপতি নাছিৰ উদ্দিন আহমেদে। ...স্থিত থাকে চি আই টি ইউৰ বৰপেটা ...হমেদ আৰু চি আই টি ইউৰ বৰপেটা ...দাস। ১৯৭০ চনৰ আজিৰ দিনটোতে ...ৰা চি আই টি ইউ-এ ৫৫ বছৰে শ্ৰমিকৰ ...ৰকাৰৰ শ্ৰমিকবিৰোধী নীতিৰ বিৰুদ্ধে ...ই টি ইউৰ সহকাৰী সম্পাদক শৰৎ চন্দ্ৰ ...কত কেইবাজনো লোক উপস্থিত থাকে।

চামতাত যাদৱ সেন ডেকাৰ

---

হ'পলাই... সজাগতা ...

নিজা বাতৰি দিওঁতা...

পুলিচৰ (যোৰহাট)... যোৰহাটৰ স্বেচ্ছাসে... হ'পলাইনৰ উদ্যোগ... সুগন্ধিনগৰত সমা... দায়বদ্ধতাৰে বিনামূ... পৰামৰ্শ কেন্দ্ৰ আ... শিবিৰ আজি অ... হ'পলাইনৰ সম্পাদি... ফুকনে আঁত ... হ'পলাইনৰ সভাপতি... সাংবাদিক দিগন্ত... হ'পলাইনৰ বিষয়ব... শইকীয়াই বক্তব্য... সভাত জ্যেষ্ঠ আ... দোলাকাষৰীয়া, সু... তিতিক্ষা বৰুৱাই ... পৰামৰ্শ আগবঢ়ায়। ... কৃষি বিশ্ববিদ্যালয়... বৰুৱা, নন্দেশ্বৰ দ... হাজৰিকা আৰু ... বিষয়ববীয়াসকলৰ... বাইজ উপস্থি... হ'পলাইনৰ বত্তি... শলাগৰ শৰাই আগ...